4G 7:20 ··· VoLTE 4G 32%

ৰীতি বা শৈলী, সেই কেইটা হ'ল–

- কাইথেলী/লহকৰি লিপি (কায়স্থসকলৰ দ্বাৰা পুথি ৰচনা, নকল কৰাৰ বাবে ব্যৱহৃত লিপি আৰু এই নামকৰণ সাম্প্ৰদায়িকহে)
- গড়গঞা লিপি (আহোমসকলৰ দ্বাৰা প্ৰথমে বুৰঞ্জীৰ নকলৰ বাবে ব্যৱহৃত হৈছিল আৰু পৰৱৰ্তীকালত পদ পুথি আৰু অভিলেখলৈও ই সম্প্ৰসাৰিত হয়। এই নামকৰণটি পিছে ভৌগোলিক নামকৰণহে) আৰু
- বামুণীয়া লিপি (সংস্কৃত ভাষা-সাহিত্য চৰ্চা চলা টোলবোৰক কেন্দ্ৰ কৰি পুথি-পাঁজি নকল কৰাৰ বাবে গা কৰি উঠা এক শৈলী)

কিন্তু এই তিনিটি লিপিৰ মাজত বেছি গাঁথনিক ব্যৱধান নাছিল। মাধৱ কন্দলী, শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ভট্টদেৱ, শ্ৰীধৰ কন্দলী আদিৰ পিছত (অৰ্থাৎ শংকৰোত্তৰ যুগৰ শেষৰ ফালে) মানৰ আক্ৰমণৰ বাবেই অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত এক স্থবিৰতা আহি পৰে। সেই সময়তে অসমলৈ ব্ৰিটিছসকলৰ আগমন ঘটে।

## আধুনিক যুগ

## লগতে পঢ়ক

মাজেৰে বিকাশ লাভ কৰিছে। অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ধাৰাটোৰ মূলতঃ তিনিটা ভাগত ভাগ কৰা হয়:

- পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি (খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ)
- মধ্যযুগীয় অসমীয়া লিপি (খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পাছৰ পৰা ঊনিবংশ শতিকাৰ মাজভাগলৈ, অৰুণোদয় কাকতৰ জন্মকাললৈ), আৰু
- আধুনিক অসমীয়া লিপি (ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা বৰ্তমানলৈ)

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধত খোদিত উত্তৰ গুৱাহাটীৰ **কানাই বৰশীবোৱা তুৰুষ্ক-ক্ষয়ৰ শিলৰ ফলি**ত আখৰেই হ'ল মধ্যযুগীয় অসমীয়া লিপিৰ আদি নিদৰ্শন। খ্ৰীষ্টীয় ষোড়শ-অষ্টাদশ শতিকাত অসমত বহুলভাৱে দুবিধ লিপিৰ প্ৰচলন আছিল— প্ৰথম বিধ *"আহোম বা টাই লিপি"* বা অসমাক্ষৰ আৰু আনবিধ *"পুৰণি অসমীয়া"*, ই *'হেন্দুৱান'* বা *'হিন্দু অক্ষৰ'* ৰূপেও জনাজাত। মধ্যযুগৰ অসমীয়া লিপিক থোৰতে তিনি ভাগ কৰা হয়। প্ৰকৃততে এই তিনিটা ভাগ হৈছে মধ্যযুগীয় অসমীয়া লিপিৰ তিনিটা প্ৰধান ৰীতি বা শৈলী, সেই কেইটা হ'ল—

- কাইথেলী/লহকৰি লিপি (কায়স্থসকলৰ দ্বাৰা পুথি ৰচনা, নকল কৰাৰ বাবে ব্যৱহৃত লিপি আৰু এই

4G 7:20 ··· Vo)) LTE 4G 32%

ভাৰতীয় লিপিৰ ক্ৰমবিকাশৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় লিপিমালাই প্ৰধানত দুটা শাখাৰ মাজেদি বিকাশ লাভ কৰিছিল, যথা– খৰোষ্ঠী লিপি আৰু ব্ৰাহ্মী লিপি। খৰোষ্ঠী লিপি প্ৰথমতে সোঁফালৰ পৰা বাঁও ফাললৈ লিখাৰ নিয়ম আছিল যদিও পৰৱৰ্তীকালত বাঁওফালৰ পৰা সোঁফাললৈ লিখাৰ নিয়ম চলিল। উল্লেখ্য যে এই লিপি অত্যন্ত ঘঁহাই লিখা হৈছিল আৰু ইয়াক পূৰ্ণলিপি বুলি বিবেচনা কৰা নহয়। ব্ৰাহ্মী লিপি বাঁওফালৰ পৰা সোঁফাললৈ লিখা হয় আৰু সকলো আধুনিক ভাৰতীয় লিপি ব্ৰাহ্মী লিপিৰ পৰাই বিকাশ ঘটিছে বুলি লিপিবিদসকল একমত।

অসমীয়া লিপিৰ ৫ম খৃষ্টাব্দৰ পৰাই নিজ স্বকীয়তা প্ৰতিপন্ন হৈছে **নগাজৰী-খনিকৰ গাঁৱৰ প্ৰস্তৰখণ্ডৰ লিপি**ৰ মাধ্যমেৰে। অসমীয়া ভাষা বহু পুৰণি বুলি বিখ্যাত চীনা-ভ্ৰমণকাৰী হিউৱেন-চাঙে বহু আগেয়েই কৈ গৈছে। তেওঁ নিজৰ ভ্ৰমণ বৃত্তান্তত লিখিছে যে কামৰূপৰ ভাষা উত্তৰ-মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ। ৫ম খৃষ্টাব্দৰ নগাজৰী-খনিকৰ গাঁৱৰ প্ৰস্তৰখণ্ডৰ লিপিয়ে ইয়াকো প্ৰতিপন্ন কৰে যে অসমীয়া লিপি কুটিল বা সূক্ষ্মকোণী বা সিদ্ধমাতৃকা লিপিৰ মধ্যমেৰে বিকশিত হৈ অহা নাই। বৰঞ্চ ই ব্ৰাহ্মী লিপিৰ পৰাই বিকশিত, হয়তো কিঞ্চিতমান গুপ্ত লিপিৰ অৱদান সাঙুৰি প্ৰাচীন কামৰূপী লিপিৰ মাজেৰে বিকাশ লাভ কৰিছে। অসমীয়া লিপিৰ